# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 26-MAY-2026 **Time :** 1845HRS

***Assamese Evening Bulletin***

——————————————————————

# HEADLINES

**::::::::::::::::::**

১। বিধানসভাত মুখ্যমন্ত্ৰীৰ উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধন অধিনিয়ম, ২০২৬ দাখিল।

২। সামাজিক মাধ্যমত শিশুৰ সুৰক্ষা আৰু গোপনীয়তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ বিদ্যালয়সমূহলৈ বিশেষ পৰামৰ্শাৱলী।

৩। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ ৮ জন অভিযুক্তৰ বিৰুদ্ধে বিচাৰৰ ধাৰা নিশ্চিত।

৪। অসম মীন উন্নয়ন নিগমৰ চৰকাৰী পুঁজিৰ অপব্যৱহাৰৰ অভিযোগত ৰাজ্যত ৭ জন বিষয়া আটক।

**আৰু**

৫। ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰু আৰু গুজৰাট টাইটানছৰ মাজত আজি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে’ অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেল।

০০০০০০০

‘অসম বিধানসভাৰ আজি চতুৰ্থ দিনৰ কাৰ্যসূচীৰ আৰম্ভণিতে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই উত্তৰ লখিমপুৰ বিশ্ববিদ্যালয় সংশোধনী বিধেয়ক, ২০২৬ সদনত উত্থাপন কৰে। ইয়াৰ পাছত ৰাজ্যপালৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ ভাষণত প্ৰথমে নৱ নিৰ্বাচিত বিধায়ক বিশেষকৈ যুৱ বিধায়কসকলক অভিনন্দন জনায়। তেওঁ বিধায়কসকলক জনসাধাৰণৰ আস্থা বজাই ৰাখি কাম কৰি যাবলৈ আহ্বান জনায়। ড০ শৰ্মাই সংসদত ৰাষ্ট্ৰপতিৰ ভাষণৰ মৰ্যাদাৰ কথা উল্লেখ কৰি কয় যে সংসদৰ প্ৰতিগৰাকী সদস্যই ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি শান্তিপূৰ্ণভাৱে তেওঁৰ ভাষণ শুনে। অসমেও বিধানসভাৰ দৰে সাংবিধানিক অনুষ্ঠানৰ প্ৰতি একে সন্মান প্ৰদৰ্শনেৰে দেশবাসীৰ আগত সুস্থ নিৰ্দশন দাঙি ধৰিব পাৰে বুলি তেওঁ কয়।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি তেওঁৰ ভাষণত স্বাস্থ্য খণ্ডৰ অগ্ৰগতিৰ কথা উল্লেখ কৰি কয়, যে স্বাধীনতাৰ পাছত ৰাজ্যত প্ৰসূতিৰ মৃত্যুৰ হাৰ দেশৰ ভিতৰতে সৰ্বাধিক আছিল। বৰ্তমান এই সংখ্যা অভাৱনীয়ভাৱে হ্ৰাস পাইছে আৰু এই ক্ষেত্ৰত দেশৰ ১০ খন উন্নত ৰাজ্যৰ ভিতৰত অসম অন্যতম স্থানত আছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অসমৰ কেইবাটাও সশস্ত্ৰ সংগঠনৰ সৈতে আলোচনাৰ ফলস্বৰূপে বৰ্তমান ৬ হাজাৰৰো অধিক যুৱক মূল সুঁতিলৈ আহি ৰাজ্যৰ বিকাশত অৰিহণা যোগাইছে। এটা সময়ত কেন্দ্ৰীয় চৰকাৰৰ অনুদানৰ ওপৰত নিৰ্ভৰশীল ৰাজ্যখন বিগত ৫ বছৰৰ প্ৰচেষ্টাৰ অন্তত সম্প্ৰতি শিক্ষা, ক্ৰীড়া, সংস্কৃতি সকলো দিশতে উন্নয়নৰ

দিশত অগ্ৰসৰ হৈছে। অহা ৫ বছৰত ৰাজ্যত দৰিদ্ৰ লোকৰ হাৰ বৰ্তমানৰ ১৭ শতাংশৰ পৰা ২-৩ শতাংশলৈ হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

উল্লেখযোগ্য যে কাইলৈ বিধানসভাৰ অধিৱেশনৰ অন্ত পৰিব।

ooooooo

অসম বিধানসভা ২০২৬ৰ নিৰ্বাচনত নিজ নিজ সমষ্টিত জয়লাভ কৰা শাসনাধিষ্ঠিত ভাৰতীয় জনতা পাৰ্টিৰ বিধায়কসকলক আজি গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত দলৰ তৰফৰ পৰা আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনোৱা হয়। সন্ধিয়া ৬ বজাত হ'বলগা এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, ৰাজ্যিক বিজেপিৰ সভাপতি তথা সাংসদ দিলীপ শইকীয়াৰ লগতে দলটোৰ কেইবাজনো জ্যেষ্ঠ নেতা উপস্থিত থাকে।

ooooooooo

২০১৪ চনৰ আজিৰ দিনটোতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশ পৰিচালনাৰ দায়িত্ব লাভ কৰি বিগত ১২ বছৰে দেশক গতিশীল নেতৃত্ব প্ৰদান কৰি আহিছে। এন ডি এ চৰকাৰৰ আমোলত অসমৰ এসময়ৰ অনগ্ৰসৰ জিলাৰূপে চিহ্নিত ধেমাজি জিলাই আজি যাতায়াত, স্বাস্থ্য, শিক্ষা আদি সকলো দিশতে উন্নয়নৰ দিশে অগ্ৰসৰ হৈছে। এই সন্দৰ্ভত বয়োজ্যেষ্ঠ সাংবাদিক, সাহিত্যিক উমেশ চেতিয়াই এইদৰে কয়—

**বাইট (উমেশ চেতিয়া)**

ৰাজ্যৰ সকলো প্ৰান্তৰ জনসাধাৰণে এন ডি এ চৰকাৰৰ শাসনকালত যথেষ্ট সুবিধা লাভ কৰা বুলি মন্তব্য কৰিছে। বাক্সা, লখিমপুৰ, নলবাৰী আদি ঠাইৰ জনসাধাৰণে কেন্দ্ৰীয় আৰু ৰাজ্যৰ চৰকাৰৰ বিভিন্ন আঁচনিৰ অধীনত স্বাৱলম্বী হোৱাৰ বাবে আৰ্থিক সাহায্য লাভ কৰা বুলি প্ৰকাশ কৰাৰ লগতে বহুজনে ৰাজ্যখনৰ সামগ্ৰিক বিকাশৰ বাবে চৰকাৰলৈ ধন্যবাদ জ্ঞাপন কৰিছে।

oooooooo

সামাজিক মাধ্যমত শিশুৰ সুৰক্ষা আৰু গোপনীয়তা সুনিশ্চিত কৰাৰ লক্ষ্যৰে অসম আৰক্ষীয়ে ৰাজ্যৰ বিদ্যালয়সমূহলৈ বিশেষ পৰামৰ্শাৱলী জাৰি কৰিছে। ইয়াৰ জৰিয়তে বিদ্যালয়সমূহৰ শিক্ষক তথা অন্যান্য কৰ্মচাৰীক এ আই মৰ্ফিং, গ্ৰুমিং, চাইবাৰ বুলিং ইত্যাদ সন্দৰ্ভত অধিক সজাগ হ'বলৈ আহ্বান জনাই শিশুৰ নাম, শ্ৰেণী, অৱস্থিতি বা ফোন নম্বৰ জাতীয় ব্যক্তিগত তথ্য সামাজিক মাধ্যমত শ্বেয়াৰ কৰাৰ পৰা বিদ্যালয় কৰ্তৃপক্ষক বিৰত থাকিবলৈ অসম আৰক্ষীয়ে পৰামৰ্শ দিছে। তদুপৰি চাইবাৰ অপৰাধৰ পৰা ৰক্ষা কৰিবলৈ শিশুৰ সহজতে চিনাক্ত কৰিব পৰা ফটো বা ভিডিঅ' প'ষ্ট কৰাৰ পৰিৱৰ্তে দলীয় ফটো, মুখমণ্ডল অনুজ্বল কৰা ফটো প'ষ্ট কৰিবলৈ দিহা আগবঢ়োৱা হৈছে। আনহাতে শিশুৱে অংশগ্ৰহণ কৰা অনুষ্ঠানৰ স্থান টেগ নকৰিবলৈকো বিদ্যালয়সমূহক বিশেষভাৱে সতৰ্ক কৰি দিয়া হৈছে।

oooooooo

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰত ন্যায়াধীশ শৰ্মিলা ভূঞাৰ বিশেষ ফাষ্টট্ৰেক আদালতে আজি ৮জন অভিযুক্তৰ বিৰুদ্ধে বিচাৰৰ ধাৰা আৰোপ কৰে। আদালতে পৰৱৰ্তী পৰ্যায়ত হত্যা, অপৰাধমূলক ষড়যন্ত্ৰ, মৃত্যুৰ মুখলৈ থেলি আদি অপৰাধৰ বাবে থকা ভাৰতীয় ন্যায় সংহিতা বিভিন্ন ধাৰাৰ অধীনত অভিযুক্তসকলৰ বিৰুদ্ধে বিচাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। উল্লেখযোগ্য যে অভিযুক্তসকলৰ কোনো এগৰাকীয়েও নিজৰ দোষ স্বীকাৰ

নকৰাৰ বাবে আদালতে অহা ৮ জুনত গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ কথা উল্লেখ কৰে। সেইদিনাৰ পৰাই সাক্ষীক আদালতত হাজিৰ কৰোৱাৰো নিৰ্দেশ দিয়া হৈছে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ তদন্তকাৰী গোটে ৩৯৪জন লোকক সাক্ষী হিচাপে দেখুওৱাই ইতিমধ্যে আদালতত তালিকা দাখিল কৰিছে।

উল্লেখযোগ্য যে ছিংগাপুৰত শিল্পীগৰাকীৰ ৰহস্যজনক মৃত্যুৰ পাছত বিশেষ তদন্তকাৰী গোটে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দিপন গাৰ্গ, শেখৰজ্যোতি গোস্বামী, অমৃতপ্ৰভা মহন্ত, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে বিশেষ তদন্তকাৰী গোটে সাতোজন অভিযুক্তক ভাৰতীয় ন্যায় সংহিতাৰ বহুকেইটা ধাৰাত অভিযুক্ত কৰি আদালতত অভিযোগনামা দাখিল কৰে। পৰৱৰ্তী পৰ্যায়ত ৰাজ্য চৰকাৰৰ অনুৰোধমৰ্মে গুৱাহাটী উচ্চ ন্যায়ালয়ে গঠন কৰা ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ দৈনিক শুনানিৰ প্ৰক্ৰিয়া আৰম্ভ হয়। এই শুনানিত জিয়াউল কামাৰ নেতৃত্বাধীন বিশেষ লোকঅধিবক্তাৰ দলে অভিযুক্তসকলৰ বিৰুদ্ধে গোচৰৰ ধাৰা আৰোপ কৰাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰি আহিছে। অভিযুক্ত কেইজনৰ অধিবক্তাসকলে অভিযুক্তসকলক নিৰ্দোষী বুলি কয় বিভিন্ন যুক্তি আগবঢ়াই আহিছে।

oooooooo

অসম মীন উন্নয়ন নিগমৰ চৰকাৰী পুঁজিৰ অপব্যৱহাৰ অভিযোগ সন্দৰ্ভত ৰাজ্য চৰকাৰৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে আজি গুৱাহাটীকে ধৰি ৰাজ্যৰ ভিন ভিন ঠাইত অভিযান চলাই ৭জন বিষয়াক আটক কৰে। গুৱাহাটীৰ লগতে বেলশৰ, গৌৰীপুৰ আৰু ৰহাকে ধৰি বিভিন্ন স্থানত চলোৱা এই অভিযানত আটক হোৱা বিষয়া কেইগৰাকী মীন উন্নয়ন নিগমৰ পূৰ্বৰ পৰিচালন সঞ্চালক অনুৰাধা অধিকাৰী শৰ্মা, পূৰ্বৰ কাৰ্যবাহী অভিযন্তা জ্যোতিষ শইকীয়া আৰু বিৰিঞ্চি অধিকাৰী, পূৰ্বৰ সহকাৰী কাৰ্যবাহী অভিযন্তা জ্যোতি প্ৰসাদ শইকীয়া, পূৰ্বৰ সহকাৰী অভিযন্তা ছাবুৰউদ্দিন আহমেদ, পূৰ্বৰ প্ৰকল্প প্ৰৱন্ধক ভগীৰথ দাস আৰু প্ৰতিষ্ঠানটোৰ পূৰ্বৰ সহকাৰী কাৰিকৰী বিষয়া ৰবীন্দ্ৰ নাৰায়ণ ডেকা বুলি সঞ্চালকালয়ে প্ৰকাশ কৰিছে। তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ উদ্ধৃতিৰে আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিয়া মতে এই সন্দৰ্ভত ইতিমধ্যে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

oooooooo

অসম ভ্ৰমণলৈ অহা ভূটানৰ প্ৰধানমন্ত্ৰী চেৰিং টবগেই আজি গুৱাহাটীৰ নীলাচল পাহাৰ অৱস্থিত মা-কামাখ্যা মন্দিৰ দৰ্শন কৰে। কালিয়েই গুৱাহাটীত উপস্থিত হোৱা প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি ভূটান আৰু উত্তৰ-পূব ভাৰত বিশেষকৈ অসমৰ মাজত দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰা আৰু সহযোগিতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই বিষয়ে লোক ভৱনত হোৱা এখন বৈঠকত অসম আৰু ভূটানৰ উমৈহতীয়া স্বাৰ্থত দুয়োপক্ষৰ মাজত সহযোগিতা বৃদ্ধি আৰু সম্পৰ্ক শক্তিশালী কৰাৰ লক্ষ্যৰে বহুকেইটা বিষয় সামৰি লোৱা হয়। চুবুৰীয়া ৰাষ্ট্ৰখনৰ প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণক লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ভাৰত আৰু ভূটানৰ সম্পৰ্ক সুদৃঢ় কৰাৰ ক্ষেত্ৰতো অসমৰ ভূমিকা গুৰুত্বপূৰ্ণ। প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে উপ-আঞ্চলিক সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ লগতে উত্তৰ-পূবত বিনিয়োগ আৰু বহনক্ষম উন্নয়নৰ বাবে নতুন সুযোগ মুকলি কৰিব বুলিও তেওঁ উল্লেখ কৰে।

oooooooo

বজালী ক্ৰীড়া সন্থাৰ উদ্যোগত অহা ১ জুনত পাঠশালাৰ বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আন্তঃক্লাব তথা আন্তঃস্কুল এথলেটিক প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সন্থাই বজালী জিলাৰ বিদ্যালয় আৰু ক্লাবসমূহক অংশগ্ৰহণৰ বাবে আহ্বান জনাইছে। প্ৰতিযোগিতাখনত ১৪, ১৬, ১৮ আৰু ২০ বছৰ অনূৰ্ধ ল'ৰা-ছোৱালীৰ বাবে দৌৰ, দীঘল জাপ, শ্বটপুট, ডিছকাছ থ্ৰ', জেভলিন থ্ৰ' আদি বিভিন্ন ক্ৰীড়া শাখা অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিযোগিতাৰ নিয়ম অনুসৰি এটা দলৰ পৰা প্ৰতিটো খেলত সৰ্বাধিক তিনিজন খেলুৱৈয়ে অংশ ল'ব পাৰিব। আগ্ৰহী খেলুৱৈসকলক কাইলৈৰ ভিতৰত পঞ্জীয়ন কৰাবলৈ আয়োজসকলে আহ্বান জনাইছে।

০০০০০০০০০

প্ৰতিকুল বতৰ আৰু সমাগত বাৰিষাৰ প্ৰতি লক্ষ্য ৰাখি নামেৰী ৰাষ্ট্ৰীয় উদ্যান আৰু ব্ৰাঘ্ৰ সংৰক্ষিত বনাঞ্চল অহা ১ জুনৰ পৰা পৰ্যটকৰ বাবে বন্ধ থাকিব। নামেৰী ব্ৰাঘ্ৰ সংৰক্ষিত বনাঞ্চলৰ ক্ষেত্ৰ সঞ্চালক তথা পশ্চিম অসম বন্যপ্ৰাণী সংমণ্ডলৰ বন বিষয়াই কালি এই সন্দৰ্ভত আনুষ্ঠানিক নিৰ্দেশনা জাৰি কৰে। উল্লেখযোগ্য যে, পবিতৰা অভয়াৰণ্যৰ চলিত পৰ্যটন বৰ্ষৰ জীপ চাফাৰী পৰ্যটকৰ বাবে আজিৰেপৰা বন্ধ কৰা হৈছে।

মানস ৰাষ্ট্ৰীয় উদ্যান আৰু ব্ৰাঘ্ৰ সংৰক্ষিত বনাঞ্চলতো ৰাফটিং আৰু হাতী ছাফাৰী অহা ১ জুনৰ পৰা পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব।

০০০০০০০০০

ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত আজি লখিমপুৰ জিলা কৃষি বিভাগৰ চুকুলীভূৰীয়াৰ ভূমি পৰীক্ষণ কেন্দ্ৰত ভূমি স্বাস্থ্য প্ৰমাণপত্ৰৰ আনুষ্ঠানিক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। আজি জিলাখনৰ ৮৫ গৰাকী কৃষকক আনুষ্ঠানিকভাৱে এই পত্ৰ প্ৰদান কৰা হয়। জিলা কৃষি বিষয়া ভৰজিত দলেই সভাপতিত্ব আয়োজিত সভাত কৃষি বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত, লখিমপুৰ কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী তথা মুখ্য বিজ্ঞানী, মহকুমা কৃষি বিষয়া আদিকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশ লয়।

০০০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি নলবাৰী জিলাৰ জাগাৰা গাঁৱক **কৃষি আদৰ্শ** গাঁও **প্ৰকল্প** হিচাপে আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। স্বেচ্ছাসেৱী সংগঠন ভাৰত বিকাশ পৰিষদৰ অসম প্ৰান্তৰ লগতে হায়দৰাবাদৰ ভাৰতীয় ধান গৱেষণা প্ৰতিষ্ঠান, ৰাঁচিৰ ভাৰতীয় কৃষি জৈৱ প্ৰযুক্তি প্ৰতিষ্ঠান, অসম কৃষি বিশ্ববিদ্যালয়, অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ে যুটীয়াভাৱে জিলাখনৰ ৫৪ নম্বৰ জাগাৰা নপ্তিপাৰা গাঁও পঞ্চায়তৰ অধীনৰ এই গাঁওখন কৃষি আদৰ্শ গাঁও হিচাপে বাছনি কৰিছে। ৰাজ্যপাল শ্ৰীআচাৰ্যই এই প্ৰকল্প উদ্বোধন কৰি দিয়া ভাষণত জাগাৰাবাসীয়ে কেৱল কৃষি ক্ষেত্ৰতে নহয়, একতাৰ মাজেৰে সকলো দিশতে আদৰ্শ গাঁৱৰ পৰিচয় দাঙি ধৰিব বুলি আশা ব্যক্ত কৰে। উদ্বোধনী সভাত বৰক্ষেত্ৰী সমষ্টিৰ বিধায়ক নাৰায়ণ ডেকা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ দ্বীপজ্যোতি ৰাজখোৱা, প্ৰাক্তন উপাচাৰ্য কমল মল্ল বুজৰবৰুৱা, অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ নিৰঞ্জন কলিতা আদি কেইবাজনো ব্যক্তি উপস্থিত থাকে। উল্লেখযোগ্য যে এই প্ৰকল্পটোৰে অঞ্চলটোৰ ২০০ গৰাকী কৃষকক সামৰি লৈছে। আজি ৰাজ্যপালগৰাকীয়ে ৫ গৰাকী কৃষকক কৃষি সামগ্ৰী বিতৰণ কৰে।

০০০০০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ প্ৰথমখন কোৱালিফায়াৰ খেলত আজি যোৱাবাৰৰ বিজয়ী ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ধৰমশালাত সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত জয়লাভ কৰা দলটোৱে পোনপটীয়াভাৱে প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত কৰিব। ইপিনে আজিৰ খেলখনত পৰাস্ত হোৱা দলটোৱে দ্বিতীয়খন কোৱালিফায়াৰ খেলৰ জৰিয়তে ফাইনেলত প্ৰৱেশৰ আন এটা সুযোগ পাব।

প্ৰতিযোগিতাৰ এলিমিনেটৰ খেলখন কাইলৈ মোহালীৰ নিউ চণ্ডীগড়ত সন্ধিয়া চাৰে ৭ বজাত খেলোৱা হ'ব। খেলখনত ছানৰাইজাৰ্ছ হায়দৰাবাদ ৰাজস্থান ৰয়েলছৰ মুখামুখি হ'ব। কাইলৈৰ খেলখনত জয়ী হোৱা দলটো দ্বিতীয়খন কোৱালিফায়াৰত আজিৰ খেলত পৰাস্ত দলটোৰ মুখামুখি হ'ব। খেলখন অহা শুকুৰবাৰে নিউ চণ্ডীগড়ত অনুষ্ঠিত হ'ব। অৱশ্যে কাইলৈৰ খেলখনত পৰাস্ত হোৱা দলটো প্ৰতিযোগিতাৰ পৰা বাহিৰ হ'ব।

উল্লেখযোগ্য যে ১৪ খন খেলৰ পৰা ১৮ পইণ্ট অৰ্জনেৰে পইণ্ট তালিকাত শীৰ্ষ স্থান লাভ কৰি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমটো দল হিচাপে এইবেলি প্লে অফত প্ৰৱেশ কৰিছিল। গ্ৰুপ পৰ্যায়ত গুজৰাট টাইটানছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদেও ১৮ পইণ্টকৈ অৰ্জন কৰিছিল যদিও উন্নত নেট ৰান ৰেটৰ ভিত্তিত বেংগালুৰুৱে তালিকাত প্ৰথম স্থান অক্ষুণ্ণ ৰাখিবলৈ সমৰ্থ হয়। ইপিনে ১৬ পইণ্টেৰে ৰাজস্থানে চতুৰ্থ তথা প্লে অফৰ অন্তিমটো স্থান দখল কৰে।

০০০০০০০০

সমাপ্ত